# চৰিত্ৰ (স্বভাৱ) পৰিৱৰ্ত্তন

ইয়োব আৰু আনবিলাক যিসকলে ঐশ্বৰীয় গুণবোৰৰ বৃদ্ধিত আৰ্হি হৈছিল।

ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন C1b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** “হে পিতৃ, খ্ৰীষ্টত বৃদ্ধি পাবলৈ যিবিলাকৰ মৰিখীয়া হৈছোঁ তেওঁলোকক এই অধ্যয়ন ব্যৱহাৰ কৰিবলৈ অনুগ্ৰহ কৰি মোক সহায় কৰক”।

## ১। খ্ৰীষ্টৰ নিচিনা স্বভাৱ গঢ়িবলৈ যুগুত কৰা

### আগকথা

ইয়োবে অতিশয় দুঃখ-কষ্ট সহ্য কৰিলে, ইয়াৰ বাবে ঈশ্বৰৰ লগত তৰ্ক কৰিলৈ আৰু ঈশ্বৰৰ প্ৰতি তেওঁৰ বিশ্বাসত দৃঢ়কৈ থাকিল।

ইয়োব এজন ধাৰ্মিক লোক আছিল, কিন্তু তথাপি এই কথা জনাৰ প্ৰয়োজন আছিল যে, তেওঁ সৰ্ব্বশক্তিমান ঈশ্বৰক তেওঁৰ নিজৰ ৰহস্যময় পথেৰে কাৰ্য্য কৰিবলৈ এৰি দিছিল।

বিশ্বাস আৰু ধৈৰ্য্যেৰে দুঃখ কষ্টৰ সহাঁৰিয়ে ঐশ্বৰীয় গুণবোৰ বৃদ্ধি কৰে।

ইয়োবৰ বন্ধুবৰ্গই তেওঁৰ অহিতে কৰা দোষাৰূপে ইয়াকে বুজায় যে অকল গালি শপনি কৰাৰ দ্বাৰাই বৃদ্ধিত একো সহায় নহয়। কিছুমান চলাওঁতাই মানুহবিলাকক ইয়োবৰ মূৰ্খ বন্ধুসকলৰ দৰে হ’বলৈ জোৰ কৰিছিল। তেওঁলোকে গালি দি ইয়োবক দোষী বুলি অনুভৱ কৰাবলৈ চেষ্টা কৰিছিল। ইয়াৰ পৰিৱৰ্ত্তে, খ্ৰীষ্টিয়ান সকলে মানুহবিলাকক ঈশ্বৰক জানিবলৈ আৰু পবিত্ৰ আত্মাৰ শক্তিৰ দ্বাৰাই ইজনে সিজনৰ পৰিচৰ্য্যা কৰিবলৈ সহায় কৰা উচিত।



**এই সত্যতাবোৰ ইয়োব ১ অধ্যায়ত বিচাৰি উলিয়াওক ঃ**

প্ৰকাশিত বাক্য ১২ঃ১০ পদত চয়তানক কিয় “আমাৰ ভাইবিলাকৰ অপবাদক” বুলি কোৱা হয়।

ইয়োবৰ বিশ্বাস আৰু স্বভাৱক পৰীক্ষা কৰাত কি কৰিবলৈ চয়তানক ঈশ্বৰে অনুমতি দিছিল।

**২ য় অধ্যায়ত চাওক ঃ**

ইয়োবৰ আধিক দুঃখ কষ্ট দিবলৈ চয়তানক ঈশ্বৰে অনুমতি দিছিল।

তেওঁক শান্তনা দিবলৈ অহা ইয়োবৰ তিনিজন বন্ধুৰ নাম।

**৩ অধ্যায়ত চাওক** তেওঁৰ জন্মতে কি হোৱা ইয়োবে ইচ্ছা কৰিছিল।

**৪-৫ অধ্যায়ত চাওক** ইয়োবৰ বেদনাৰ কাৰণ কি বুলি ইলিফাজে ভাবিছিল।

*(উত্তৰ ঃ ইয়োব ৪ঃ৭-৮ চাওক। আন অনেক লোকে আনৰ অপবাদ আৰু বিচাৰ কৰাৰ দৰে, ইয়োবৰ কিছুমান দুষ্টতাৰ কাৰণেই ঈশ্বৰৰ শাস্তি পাই ইয়োবে দুঃখভোগ কৰিছিল বুলি ইলীফাজে ভাবি লৈছিল)।*

**ইয়োব ৬-১১ অধ্যায়ত চাওক ঃ**

৬ঃ২১-৩০ অত, ইলীফাজৰ পৰামৰ্শ ইয়োবে কি ভাবিছিল।

৮ অধ্যায়ত ইয়োবৰ উত্তৰত বিলদাদে কি বুলি ভাবিছিল। (২ পদ চাওক)

৯ আৰু ১০ অধ্যায়ত যাকোবে জীৱন সম্পৰ্কে কি ভাবিছিল।

১০ঃ২০-২২ তেওঁৰ বন্ধুবৰ্গই কি কৰিব লাগে বুলি ইয়োবে ইচ্ছা কৰিছিল।

১১ অধ্যায়ত ইয়োবৰ দুঃখভোগৰ কাৰণ বুলি চোফৰে কি ভাবিছিল। (১৩-১৫ পদ চাওক)

১২ঃ১-৩ বন্ধু তিনিজনৰ উপদেশক ইয়োবে কি ভাবিছিল।

**১২-৩১ অধ্যায়ত** চাৰিগৰাকী মানুহে দ্বিতীয় দ্বিতীয়বাৰৰ বাবে তৰ্ক-বিতৰ্ক কৰিলে ঃ চাওঁক ঃ

১২ঃ১-৩ পদত, তিনি গৰাকী বন্ধুৰ পৰামৰ্শক ইয়োবে কি ভাবিলে।

১৯ঃ২৩-২৭ ইয়োবৰ শেষ আশা।



**৩৮-৪১ অধ্যায়ত** কঠিন প্ৰশ্ন কৰি ধুমুহাৰ মাজেৰে ঈশ্বৰে ইয়োবক কথা কৈছিল। **চাওক ঃ**

৩৮ঃ১-৩ তিনিগৰাকী বয়সীয়া পৰামৰ্শদাতাৰ বিষয়ে প্ৰভুৱে কি ভাবিছিল।

৩৮ঃ৪-৫ ইয়োবৰ ইলীফজৰ আগমণ।

**৩২-৩৭ অধ্যায়ত** ইলীফজৰ আগমন। ৩২ঃ৩-১০ পদত তেওঁ কিয় তিনিজন বয়সীয়া মানুহৰ ওপৰত খং উঠিছিল।

**৪২ অধ্যায়ত** শেষ কথা প্ৰকাশিত হৈছিল। চাওক ঃ

৪২ঃ১-৬ ইয়োবে কেনেকৈ নিজৰ আৰু তেওঁৰ মনৰ অৱস্থা পৰিৱৰ্ত্তনৰ বিষয়ে অনুভৱ কৰিছিল।

৪২ঃ৭-৮ তিনিগৰাকী বয়সীয়া লোকৰ প্ৰতি কিয় ঈশ্বৰৰ ক্ৰোধ হৈছিল আৰু তেওঁ তেওঁলোকক কি কৰিবলৈ কৈছিল।

৪২ঃ১০-১৭ শেষ ফলাফল কি আছিল।

**১ ম পিতৰ ১ঃ৩-৯** পদত খ্ৰীষ্টৰ হকে দুঃখ ভোগৰ বিভিন্ন ফলাফল চাওক।

## ২। সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি কৰক।

ঈশ্বৰৰ আগত তেওঁবিলাকৰ পাপ স্বীকাৰ কৰি তেওঁৰ পৰিৱৰ্ত্তন কৰিব পৰা শক্তি বিচাৰিবলৈ লোকবিলাকক উদগাওক।

## ৩। হ'ব লগা উপাসনাৰ সময়ৰ বাবে সহকৰ্ম্মী সকলৰ লগত আঁচনি কৰক।

দায়ূদে চৌলক ক্ষমা কৰা বিষয়ে ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাটক আৰু প্ৰশ্নবোৰ পৰিবেশন কৰিবলৈ কওক।

ইয়োবৰ গুৰুত্বপূৰ্ণ কথাখিনি কৰি দেখুৱাওক। (১ ভাগ) আপুনি কি পালে প্ৰশ্ন কৰক।

প্ৰাৰ্থনা, কামৰ আঁচনি আৰু ইজনে সিজনক সহায় কৰাৰ কথাবোৰ আলোচনা কৰিবলৈ সৰু সৰু গোট গঠন কৰক।

গালাতীয়া ৫ঃ২২-২৩ মুখস্থ কৰক।

**প্ৰভুৰ-ভোজ আৰম্ভ কৰিবলৈ** ইয়োবে কি দৰে তেওঁৰ পৰামৰ্শদাতা সকলৰ বাবে বলি উৎসৰ্গ কৰিছিল, সেই বিষয়ে কওক, ইয়োব ৪২ঃ৭-৮। খ্ৰীষ্টৰ তেজে আমাৰ লজ্জাবিষয়ক সকলো স্বভাৱ ঢাকে সেই কথা ব্যাখ্যা কৰক।

বাইবেল সন্মত ভাৱে 'শাৰীৰিক' জীৱন সম্পৰ্কে ব্যাখ্যা কৰক।

- ঐশ্বৰীক স্বভাৱ গঢ়া শাস্ত্ৰত কৈছে - ই দলগত প্ৰচেষ্টা। আমি অকলে কৰিব নোৱাৰো।
- প্ৰেমেৰে ইজনে সিজনৰ পৰিচৰ্য্যা আৰু সহায় কৰিবলৈ পবিত্ৰ আত্মাই আমাক আত্মিক বৰ দান দিয়ে (১ম কৰন্থীয়া ১২ আৰু ১৩ অধ্যায়)।
- বিশ্বাসী সকলৰ লগত শাৰীৰিক ভাৱে সহযোগ কৰিলে আৰু আনৰ পৰিচৰ্য্যা কৰিলে আমি আত্মিক স্বভাৱত বৃদ্ধি পাওঁ। উদাহৰণ স্বৰূপে, সুৰাপান কৰাজনে আনক সহায় কৰিলেহে নিজৰ স্বভাৱ জয় কৰিব পাৰে।

কিছুমান লোকে ভাল আৰু বেয়া লক্ষণবোৰ সাধাৰণ জীৱ-জন্তুৰ ওপৰত দেখুৱাব পাৰে। **ব্যাখ্যা কৰক**।

| কিছুমান লোকে এই ধৰণে কৰে... | যেতিয়া তেওঁলোকে পবিত্ৰ আত্মাক অৱহেলা কৰে.... | যেতিয়া তেওঁলোকে পবিত্ৰ আত্মাৰে পূৰ্ণ হয়...... |
|---|---|---|
| পৌলৰ দৰে, শক্তিশালী ষাঁড় ঃ  | স্তিফানক শিল দলিয়াই মৰাত পৌলে ভাগ লৈছিল আৰু তেওঁ বিশ্বাসী সকলক তাড়না কৰিছিল। | পিছলৈ পৌলে মেৰৰখীয়া সকলক শিকাইছিল আৰু ঈশ্বৰৰ বাক্য পৰিপাতিৰ মাজলৈ নিছিল। |
| পিতৰৰ দৰে, ভুকি থকা কুকুৰ পোৱালীঃ  | পিতৰে প্ৰায়ে জধেমধে কথা কৈছিল; যীচুৰ মৃত্যুৰ আঁচনিত তেওঁ বাধা দিছিল আৰু আনকি তেঁওক অস্বীকাৰ কৰিছিল। | পিছলৈ পিতৰে ক্ষমতাৰে যীচুক ঘোষণা কৰিছিল আৰু অনেকে বিশ্বাস আৰু অনুতাপ কৰাত চলাই নিছিল। |
| দায়ূদৰ দৰে, দূৰদৰ্শী  | দায়ূদে চতুৰালী কৰি তেওঁৰ গণনা কৰিলে, যিয়ে মহামাৰী আনিছিল আৰু তেওঁ উৰীয়াৰ স্ত্ৰীৰ প্ৰতি আসক্ত হৈছিল। | দায়ূদে সুন্দৰ গীতবোৰ ৰচনা কৰিছিল, নতুন মন্দিৰৰ আঁচনি কৰাইছিল আৰু দীৰ্ঘদিনীয়া ৰূপত বিশ্বাস কৰিছিল। |
| ইয়োবৰ দৰে, ঘোঁৰাৰ স্থিৰ কাম কাজঃ  | ইমান দুঃখ কষ্ট ভুগিবলৈ দিয়া বাবে ইয়োবে ঈশ্বৰক প্ৰশ্ন কৰিছিল আৰু অতি বেচি তৰ্ক কৰিছিল। | তথাপি ইয়োবে মহা কষ্টৰ সময়ত দৃঢ় বিশ্বাস ৰাখিছিল আৰু তেওঁৰ প্ৰশ্নৰ বাবে অনুতাপ কৰিছিল। |

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net